# ৰূপান্তৰ স্ফোট ব্যাকৰণ

## (Transformational Generative Grammar)

গাঁথনিক ধাৰাৰ তাত্ত্বিক ভিত্তিৰ দোষ দুৰ্বলতা দেখুৱাই মাৰ্কিন ভাষাবিজ্ঞানী নৌম চমস্কিয়ে (১৯২৮-) বিংশ শতাব্দীৰ দ্বিতীয়াৰ্ধৰ আৰম্ভণিত যি আলোড়ন সৃষ্টিকাৰী ভাষাবৈজ্ঞানিক তত্ত্বৰ উদ্ভাৱন কৰে, সেয়া **ৰূপান্তৰ স্ফোট ব্যাকৰণ** (চমুকৈ TG) নামেৰে জনাজাত। উল্লেখযোগ্য যে, গাঁথনিক ব্যাকৰণত ব্যাকৰণগত (বৈয়াকৰণিক নিয়মৰ বিচাৰত শুদ্ধ) আৰু গ্ৰহণযোগ্যতাৰ মাজত প্ৰভেদ নাৰাখি কেৱল বাক্যৰ গাঁথনিক ক্ৰমৰ ওপৰত মাত্ৰাধিক গুৰুত্ব প্ৰদান কৰা হেতুকে অসম্ভৱ বাক্য একোটাও বিশুদ্ধ বাক্যৰূপে পৰিগণিত হোৱাৰ সুৰুঙা ৰৈ যায়। তদুপৰি, এই ব্যাকৰণ-ধাৰাই অৰ্থৰ দিশটোৰ প্ৰতি অকণো মনোযোগ নিদিয়া বুলি ব্লুমফিল্ডীয় ধাৰাৰ অব্যৱহিত পৰৱৰ্তী ভাষাবিজ্ঞানী এচামে প্ৰবল আপত্তি তোলে; বিশেষকৈ নৌম চমস্কিয়ে 'Colourless green ideas sleeps furiously' শীৰ্ষক অৰ্থহীন, অথচ গাঁথনিকভাৱে শুদ্ধ বাক্য এটাৰ উল্লেখেৰে গাঁথনিক ব্যাকৰণৰ দুৰ্বলতা আৰু সীমাবদ্ধতাবোৰ সুন্দৰকৈ উদঙাই দিয়ে। এনেদৰে, গঠনবাদী ব্যাকৰণৰ প্ৰতিবাদৰূপে পৰৱৰ্তী স্তৰত টিজি তত্ত্বৰ আৱিৰ্ভাৱ ঘটে। সম্প্ৰতি সমগ্ৰ বিশ্বজুৰি আলোড়ন সৃষ্টি কৰা এই তত্ত্বৰ মূল প্ৰতিপাদ্য বিষয় হৈছে—বাক্যৰ ৰূপান্তৰ বিধি আৰু তাৰ সৈতে সম্পৃক্ত হৈ থকা ধাৰণাৰ উন্মোচন। চমস্কি আৰু তেওঁৰ অনুগামীসকলৰ মতে, ব্যাকৰণ ভাষা বিষয়ক তথ্যৰ অভিলেখ মাত্ৰ নহয়। ভাষা যিহেতু শৰীৰ আৰু মন উভয়ৰ যুগপৎ সৃষ্টি; এতেকে, বৈয়াকৰণসকল তাৰ আভ্যন্তৰীণ আৰু বাহ্যিক দুয়োবিধ উপাদানৰ উদ্‌ঘাটনত ব্ৰতী হ'ব লাগে।

চমস্কিৰ মতে, ভাষা একোটাত ব্যৱহাৰ হৈ থকা বাক্যৰ সংখ্যা অসীম (Infinite); কিন্তু সেইবোৰৰ গঠন-পদ্ধতিৰ নীতি-নিয়ম তেনেই সীমিত। ৰূপান্তৰ স্ফোট ব্যাকৰণত এই অসীম সংখ্যক বাক্য উৎপাদনকাৰী সসীম (Finite) নিয়মসমূহৰ সুস্পষ্ট আৰু সঠিক বিৱৰণ দাঙি ধৰা হয়।

চমস্কিয়ে মানুহৰভাষা-সামৰ্থ্য বা বাক্-ৰীতি-সামৰ্থ্য (Competence) আৰু বাগ্‌ব্যৱহাৰৰ (Performance) পাৰ্থক্যও চিহ্নিত কৰিছে। তেওঁৰ মতে, বাক্-ৰীতি - সামৰ্থ্য হ'ল— আদৰ্শ বক্তা-শ্ৰোতাৰ মাতৃভাষা সম্পৰ্কীয় জ্ঞান, আৰু বাগ্‌ব্যৱহাৰ হ'ল — দৈনন্দিন জীৱনত ব্যৱহৃত ভাষা। মানুহৰ বাক্-ৰীতি-সামৰ্থ্যৰ কোনো সীমাবদ্ধতা নাই, সীমাবদ্ধতা আছে বাগ্‌ব্যৱহাৰৰ। অৰ্থাৎ, মানুহৰ দ্বাৰা উৎপাদিত বাক্যৰ সংখ্যা আৰু ধৰণহে সীমিত; উৎপাদন ক্ষমতাৰ কিন্তু কোনো সীমাবদ্ধতা নাই। চমস্কিৰ মতে, ব্যাকৰণ হ'ব লাগে মাতৃভাষী তথা আদৰ্শ বক্তা-শ্ৰোতাৰ মনত অন্তৰ্লীন হৈ থকা বাক্-ৰীতি-সামৰ্থ্যৰ স্পষ্ট বিৱৰণ। এই ব্যাকৰণ অধিক ব্যাখ্যাত্মক হ'লে; অৰ্থাৎ মাতৃভাষীৰ ভাষা-সামৰ্থ্যৰ প্ৰকৃত বিৱৰণ হ'লে, সি নাম পায় উৎপাদক বা সৃজনধৰ্মী বা স্ফোট ব্যাকৰণ।

এই ব্যাকৰণত এহাতে ৰূপান্তৰ, আৰু আনহাতে সৃজনধৰ্মিতা — এই দুয়োটা বিষয় একেলগে জড়িত হৈ থকা হেতুকে ইয়াক ৰূপান্তৰ স্ফোট ব্যাকৰণ বোলা হৈছে। ৰূপান্তৰ মানে— এটা বাক্যক অন্য এটা শ্ৰেণীলৈ (যেনে সদৰ্থক বাক্যক নঞৰ্থকলৈ বা প্ৰশ্নসূচকলৈ) সলনি কৰা; আনহাতে, সৃজনধৰ্মিতা হ'ল— মাতৃভাষীয়ে স্বাভাৱিকভাৱে হৃদয়ঙ্গম কৰি লোৱা ভাষাটোৰ সীমিত সংখ্যক নিয়ম-প্ৰয়োগৰ দ্বাৰা নতুন নতুন বাক্যৰ উৎপাদন কৰা। সাধাৰণতে মানুহে কোনো বাক্যৰে পুনৰাবৃত্তি নকৰে। নিজৰ সৃজন ক্ষমতাৰ দ্বাৰা তেওঁ একেটা সাৰ বাক্যৰ (Kernel sentence) পৰা আৱশ্যক অনুসাৰে নতুন বাক্য সাধন কৰি লয়। মন কৰিবলগীয়া যে, মাতৃভাষীয়ে সদায় ব্যাকৰণগত বাক্যহে উচ্চাৰণ কৰে।

চমস্কিয়ে দেখুৱাইছে যে, মানুহৰ ভাষিক কাৰ্যৰ অন্তৰালত বুদ্ধিদীপ্ত মানসিক বাস্তৱ অনৱৰতে জড়িত হৈ থাকে। ৰূপান্তৰ স্ফোটবাদী ভাষাবিজ্ঞানীৰ কাম হ'ল—এই বাস্তৱৰ সৈতে সাঙোৰ খাই থকা ভাষা-সম্পদৰ স্বৰূপ উদ্‌ঘাটন কৰা। আদৰ্শ বক্তা-শ্ৰোতাৰ ভাষা-সামৰ্থ্যৰ বিৱৰণ সম্বলিত এই ব্যাকৰণ বুদ্ধি-নিৰ্ভৰ নহয়। প্ৰতিজন বক্তাৰে নিজৰ ভাষাৰ অসীম সংখ্যক বাক্য বুজাৰ স্বাভাৱিক ক্ষমতা থাকে। আন কথাত, প্ৰত্যেক ব্যক্তিয়ে নিজৰ ভাষাৰ সৃজনশীল ব্যাকৰণ স্বাভাৱিক প্ৰক্ৰিয়াৰে আয়ত্ত আৰু আত্মস্থ কৰে।